# উদ্ভিদ

প্রস্তারনা সংখ্যা

জুলাই,২০১৯



সম্পাদক

মানস প্ৰতিম দত্ত

সহকাৰী সম্পাদক

ভাস্কৰ ভূঞা

নয়ন দীপ দত্ত

লুইত কিৰণ দাস

জী
ৱ
জ
গ
ত
ৰ
ক
থা

## সম্পাদকীয়:


আমাৰ চৌপাশে অসংখ্য সৰু-বৰ পোক-পতংগ, চৰাই-চিৰিকতি,উদ্ভিদ আদি জীৱই বসবাস কৰা দেখা পোৱা যায়। ইহঁতৰ চৰিত্ৰগত বিভিন্ন পাৰ্থক্যই এটাক আনটোৰ পৰা পৃথক কৰি ৰাখে। এই চৰিত্ৰবোৰ চিনাক্ত কৰি ইয়াক বিভিন্ন ভাগত ভাগ কৰা হয় । এই বিভিন্ন ভাগ বুলিলে সাধাৰণতে উদ্ভিদ আৰু প্ৰাণী ৰাজ্যক বুজা যায় ।

জীৱবিজ্ঞানৰ গৱেষণাৰ পৰিসৰবৃদ্ধিৰ লগে লগে জীৱসমূহৰ দেহত উদ্ভিদ আৰু প্ৰাণীতকৈ কিছু পৃথক চৰিত্ৰ দেখা গ'ল। সেয়েহে ইয়াৰ লক্ষণৰ ওপৰত ভিত্তি কৰি আৰ্নষ্ট হেকেল তিনিৰাজ্য ধাৰণা প্ৰৱৰ্তন কৰে। তেওঁ এই জীৱসমূহক উদ্ভিদ, প্ৰাণী আৰু প্ৰ'টিষ্টা ৰাজ্যত ভাগ কৰিছিল। হেকেলৰ এই শ্ৰেণীবিভাজনৰ পাছতো একেধৰণৰ কিছু অসুবিধাৰ সন্মুখীন হোৱাত এইছ এফ ক'পলেণ্ড-এ জীৱসমূহক পুনৰ চাৰিটা ভাগত ভাগ কৰে। তেওঁৰ এই বিভাজন অনুসৰি জীৱৰ ভাগ সমূহ হ'ল-মনেৰা, প্ৰটিষ্টা , মেটাফাইটা আৰু মেটায'ৱা । ক'পলেণ্ডে এককোষী, প্ৰকোষকেন্দ্ৰীয়(প্ৰকৃত কোষ- কেন্দ্ৰ নথকা) জীৱক মনেৰা ৰাজ্যত অন্তৰ্ভুক্ত কৰাৰ উপৰিও এককোষী বা বহুকোষী সংকোষকেন্দ্ৰীয় (প্ৰকৃত কোষকেন্দ্ৰ থকা) জীৱসমূহক প্ৰটিষ্টা ৰাজ্যত, সকলো প্ৰকাৰৰ বহুকোষী, সংকোষকেন্দ্ৰীয় , কোষবেৰ আৰু পত্ৰহৰিত থকা জীৱসমূহক মেটাফাইটা

ৰাজ্যত আৰু কোষবেৰ আৰু ক্লৰ’ফিল নথকা উচ্চশ্ৰেণীৰ বহুকোষী জীৱসমূহক মেটায’ৱা ৰাজ্যত অন্তৰ্ভুক্ত কৰিছিল। ইয়াৰ উপৰিও তেওঁ প্ৰটিষ্টা ৰাজ্যক স্ব-পুষ্ট আৰু পৰপুষ্ট নামেৰে দুটা ভাগত ভাগ কৰি নীল-হৰিৎ শেলাইৰ বাহিৰে সকলোক শেলাইক স্বপুষ্ট প্ৰটিষ্টা ৰাজ্যত আৰু ভেঁকুৰ, শ্লেষ্মা ভেঁকুৰ আৰু প্ৰট’য’ৱাক পৰপুষ্ট প্ৰটিষ্টা ৰাজ্যত অন্তৰ্ভুক্ত কৰিছিল । পৰৱৰ্তী সময়ত আৰ এইচ হোৱাইটেকাৰ নামৰ আমেৰিকাৰ বিজ্ঞানীজনে ভেঁকুৰ সমূহক সম্পূৰ্ণ পৃথক ৰাজ্যত অন্তৰ্ভুক্ত কৰি জীসমূহক পাঁচটা ভাগত ভাগ কৰে। সেয়েহে এই বিভাজনক পঞ্চ ৰাজ্যৰ বিভাজন বুলি কোৱা হয়। তেওঁৰ এই বিভাজন পদ্ধতি অনুসৰি প্ৰকোষকেন্দ্ৰীয় জীৱসমূহক মনেৰা ৰাজ্যত, এককোষী, সংকোষকেন্দ্ৰীয় আৰু আণুবীক্ষণিক জীৱসমূহ প্ৰটিষ্টা ৰাজ্যত, বহুকোষী, সংকোষকেন্দ্ৰীয়, সালোক-সংশ্লেষণকাৰী আৰু চেলুল’জেৰে কোষবোৰ গঠন হোৱা জীৱবোৰক প্লেণ্টি ৰাজ্যত, ক্লৰ’ফিল বিহীন সংকোষকেন্দ্ৰীয়, বহুকোষীজীৱসমূহক ভেঁকুৰ ৰাজ্যত আৰু দৃঢ় কোষবেৰ নথকা বহুকোষী, সংকোষকেন্দ্ৰীয় জীৱসমূহ এনিমেলিয়া ৰাজ্যত আন্তৰ্ভুক্ত কৰা হয়।



এইছ্ এফ ক’পলেণ্ড




প্ৰত্যেক ৰাজ্যত অন্তৰ্ভুক্ত জীৱসমূহৰ চাৰিত্ৰিক বৈশিষ্ট্যগত পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি জীৱ এটাক চিনাক্তকৰণ, নামকৰণ আৰু বৰ্গীকৰণ বা শ্ৰেণীবিভাজন কৰা এক পদ্ধতি অগাস্তিন পি দ্য কেণড’ল-এ প্ৰৱৰ্তন কৰে । এই পদ্ধতিটোক টেক্সন’মি পদ্ধতি বুলি কোৱা হয়। কেণড’লে ‘ Theories elementaire de la

botanique’ নামৰ তেওঁৰ গ্ৰন্থখনত পোনপ্ৰথমে ‘টেক্সন’মি’ শব্দটো ব্যৱহাৰ কৰিছিল। কেৰ’লাচ লিনিয়াছ নামৰ বিজ্ঞানীজনক টেক্সনমিৰ জনক বুলি কোৱা হয়।

সাধাৰণতে জীৱসমূহৰ মাজত আন্ত:সম্বন্ধ থাকে। সেয়েহে জীৱৰ শ্ৰেণীবিভাজন কৰোঁতে কিছুমান নিৰ্দিষ্ট গোটত ভাগ কৰা হয়। এই ভাগ সমূহ হ’ল – ৰাজ্য, উপৰাজ্য, পৰ্ব, উপপৰ্ব, শ্ৰেণী, বৰ্গ, গোত্ৰ, গণ আৰু প্ৰজাতি। এই বিভাজন পদ্ধতিৰ ক্ষুদ্ৰতম এককটোৱেই হ’ল প্ৰজাতি।

মানস প্ৰতিম দত্ত

## ছবিৰ মানুহজন চিনি পাইছেনে?

এওঁ হ’ল ভ্ৰাম্যমান ডাষ্টবিন হিচাপে পৰিচিত

**বিষ্ণু ভগত**



# বৈজ্ঞানিক নাম কি ?

মানস প্ৰতিম দত্ত

আমাৰ পৃথিৱীখনত বিভিন্ন জীৱ-জন্তু, গছ-লতিকাৰে আগুৰি আছে । এই বৈচিত্ৰতাই পৃথিৱীখনক মনোমোহা কৰি তুলিছে। প্ৰাকৃতিক বৈচিত্ৰৰ দৰেই পৃথিৱীত বহুতো ভাষা, উপ-ভাষা আছে । উদাহৰণ স্বৰপে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী । ভাৰতবৰ্ষত আকৌ বিভিন্ন ৰাজ্য আছে । সেই ৰাজ্য সমূহৰ আকৌ নিৰ্দিষ্ট ভাষা আছে। ৰাজ্যসমূহত নিৰ্দিষ্ট ভাষা থকাৰ উপৰিও তাত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰো আকৌ নিজা ভাষা আছে । উদাহৰণস্বৰূপে , মানুহক হিন্দীত আদমী ইংৰাজীত মেন, বাংলাত মানুষ বুলি কোৱা হয়। মানুহৰ নামৰ দৰেই প্ৰত্যেক জীৱসম্প্ৰদায়ৰ সুকীয়া নাম অৰ্থাৎ স্থানীয় নাম আছে। অৰ্থাৎ একে প্ৰাণী বা উদ্ভিদৰ নাম বিভিন্ন প্ৰদেশত বেলেগ বেলেগ হয়। এনেধৰণৰ সমস্যা সমূহ দূৰ কৰাৰ উদ্দেশ্যে কেৰ’লাচ লিনিয়াছ নামৰ জীৱবিজ্ঞানী জনে ১৭৫৩ চনত বৈজ্ঞানিক নামৰ ধাৰণাৰ প্ৰৱৰ্ত্তন কৰে। এই পদ্ধতিৰ জৰিয়তে প্ৰতিটো জীৱকে এক সুনিৰ্দিষ্ট নামেৰে নামকৰণ কৰা হয় যাক সেই নামেৰে সমগ্ৰ বিশ্বত চিনিব পাৰি। এই নামবোৰেই হ’ল বৈজ্ঞানিক নাম । এনেধৰণৰ বিজ্ঞানসন্মত নামসমূহত দুটা পদ বা অংশ থাকে। ইয়াৰ প্ৰথম পদটোক গণ আৰু দ্বিতীয় পদটোক প্ৰজাতি বোলে।





লিনিয়াছ

আমি জানো প্ৰাণী বা উদ্ভিদ ৰাজ্যৰ শ্ৰেণীবিভাজনৰ ক্ষুদ্ৰতম এককটোৱেই হ’ল প্ৰজাতি। প্ৰজাতি শব্দটোৰ



ইংৰাজী প্ৰতিশব্দ হ'ল স্পেচিছ। এই শব্দটো পোন প্ৰথমে জন ৰে নামৰ বিজ্ঞানীজনে ১৬৮৬ চনত তেওঁৰ হিষ্ট'ৰিয়া প্লেনটেৰাম নামৰ গ্ৰন্থখনত ব্যৱহাৰ কৰিছিল। প্ৰজাতি কি সেই ধাৰণাটো অতি সহজে বুজিবৰ বাবে আমি এটা উদাহৰণৰ সহায় ল'ব পাৰোঁ। ধান গছক উদাহৰণ হিচাপে ল'লে দেখা পাওঁ যে একেখন পথাৰৰ একেবিধ ধানৰে প্ৰতিজোপা ধানগছৰ আকাৰ-আকৃতি, উচ্চতা, বীজৰ পৰিমাণ  আদিৰ পাৰ্থক্য থাকে যদিও সিহঁতৰ দেহৰ গঠন একে হোৱা দেখা যায়। অৰ্থাৎ আমি ধানজোপা দেখিয়েই ক'ব পাৰোঁ যে ইয়াৰ পূৰ্বপুৰুষ একে। সংজ্ঞা অনুসৰি প্ৰজাতি হৈছে দৈহিক আৰু প্ৰজনন সম্বন্ধীয় চৰিত্ৰগত বৈশিষ্ট্যৰ ফালৰ পৰা পাৰস্পৰিক সাদৃশ্য থকা আৰু একে পূৰ্বপুৰুষৰ পৰা সৃষ্টি হোৱা জীৱসমষ্টি। বিভিন্ন সময়তএকেপ্ৰজাতিৰ জীৱসমূহৰ মাজত চৰিত্ৰৰ কিছুমান তাৰতম্য লক্ষ্য কৰা হয়। এই তাৰতম্যৰ ওপৰত ভিত্তি কৰি প্ৰজাতিসমূহক বিভিন্ন উপ-প্ৰজাতিত ভাগ কৰা হয়। উদাহৰণস্বৰূপে কবি প্ৰজাতি *Brassica campestris* ৰ কথা ক'ব পাৰোঁ। ইয়াৰ বন্ধাকবি *Brassica campestris* var. *capitata* আৰু ফুলকবি *Brassica campestris* var. *oleracea* কবি

প্ৰজাতি *Brassica campestris*ৰ অন্তৰ্গত।

প্ৰজাতিতকৈ উচ্চ এককটোৱেই হ'ল গণ। একেটা বংশৰ পৰা সৃষ্টি হোৱা পাৰস্পৰিক সম্পৰ্কযুক্ত প্ৰজাতিৰ গোট বা সমষ্টিক গণ বুলি কোৱা হয়। উদাহৰণস্বৰূপে বিহলঙনিৰ বৈজ্ঞানিক নাম হ'ল *Polygonum hydropiper* । ইয়াত গণ হ'ল *Polygonum* আৰু প্ৰজাতি হ'ল *hydropiper* । এনেধৰণেৰে বৈজ্ঞানিক নামসমূহ নামকৰণ কৰোতে নিৰ্দিষ্ট জীৱবিধৰ নামকৰণ কৰা বিজ্ঞানীজনৰ নামটো বৈজ্ঞানিক নামৰ কাষত লিখা হয়। উদাহৰণস্বৰূপে বিহলঙনিৰ বৈজ্ঞানিক নাম *Polygonum hydropiper* হিচাপে লিনিয়াছে নামকৰণ কৰিছিল। সেয়েহে বিহলঙনিৰ সম্পূৰ্ণ বৈজ্ঞানিক নাম হ'ল *Polygonum hydropiper* Linnaeus । বিজ্ঞানীজনৰ সম্পূৰ্ণ নামটো ডাঙৰ হ'লে ইয়াকে সংক্ষেপে লিখা হয়। উদাহৰণস্বৰূপে লিনিয়াছ নামটো ডাঙৰ হোৱা বাবে ইয়াক Linn. বা L লিখা হয়।

# উদ্ভিদ-বাৰ্তা

**পলাশ:** পলাশ গছৰ বৈজ্ঞানিক নাম *Butea monosperma* ফাগুনৰ বতৰা লৈ অহা গছ বুলিলেই আমি পলাশ গছৰ কথা ক'ব পাঁৰো। উদ্ভিদ ৰাজ্য ফেবেচিৰ অন্তৰ্গত পলাশ গছ প্ৰায় ১৫-১৭ মিটাৰ পৰ্যন্ত ওখ হয়। পলাশ গছৰ gumত টেনিন থাকে । ই ডায়েৰীয়া ৰোগ নিৰ্মূল কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰে বুলি মিচিং সকলে বিশ্বাস কৰে।

**মদাৰ:** মদাৰ গছৰ বৈজ্ঞানিক নাম *Erythrina indica* মদাৰ গছ প্ৰায় ৬০-৮০ মিটাৰ পৰ্যন্ত ওখ হয়। পাতবোৰ সাধাৰণতে যৌগিক হয়। মদাৰৰ শিপা খুন্দি বিষ হোৱা স্থানত ব্যৱহাৰ কৰিলে বিষ ভাল হয় বুলি বিশ্বাস কৰা হয়।

**মেচাকি:** মিচিং সকলৰ মাজত অম্বে নামেৰে পৰিচিত মেচাকিৰ বৈজ্ঞানিক নাম *Sarcochlamys pulcherrima* । মেচাকিৰ পাতবোৰ খহটা হয়। ইয়াৰ ওপৰৰ পিঠি সেউজীয় হয়। মেচাকিত মূলত পেলু নাশক গুণ থকা বুলি বিশ্বাস কৰা হয়। মিচিং সমাজত সাধাৰণতে গাহৰিৰ লগত প্ৰস্তুত কৰা খাদ্যত মেচাকি ব্যৱহাৰ কৰা হয়। ই লৃগাঙত ব্যৱহৃত খাদ্যভাসৰ অন্যতম অংশ । ই ডায়েৰীয়া ৰোগ নিয়ন্ত্ৰণ কৰিব পাৰে । মেচাকিৰ পাত উতলাই তাৰ ৰস খালে গ্ৰহণী ৰোগ ভাল হয় বুলি মিচিং সকলে বিশ্বাস কৰে।

**ডিমৰু :** ডিমৰু প্ৰজাতিৰ অন্যতম *Ficus roxburghii*ক মিচিং সকলে তাকুক বুলি কয়। মাংস প্ৰকৰণত ইয়াক ব্যৱহাৰ কৰা হয়। ইয়াৰ উপৰিও ইয়াৰ পাত আৰু কাণ্ড পাতত দি খালে গ্ৰহণী ৰোগ নিয়ন্ত্ৰণ হয় বুলি বিশ্বাস কৰা হয়। তদুপৰি ইয়াৰ পকা ফলটো খাবলৈ তৃপ্তিদায়ক ।

**শিমলু:** শিমলু গছৰ বৈজ্ঞানিক নাম *Bombax ceiba*। চিংঘী নামেৰে মিচিং সমাজত পৰিচিত শিমলু গছক শিপা খুন্দি খালে হাপানী ৰোগ নিয়ন্ত্ৰণ হয় বুলি বিশ্বাস কৰা হয়। তদুপৰি ইয়াৰ গা-গছৰ কাইট অংশ খুন্দি মুহুদি হিচাপেও ব্যৱহাৰ কৰা দেখা যায়।

**তৰা গছ:** তৰা গছৰ বৈজ্ঞানিক নাম *Alpinia nigra* । লৃগাঙৰ অন্যতম খাদ্যসম্ভাৰ পুৰাং বান্ধি ৰাখিবলৈ তৰা গছৰ পাত ব্যৱহাৰ কৰা হয়। মিচিং সমাজত প্ৰাকৃতিক ডিচপ'জেৱলৰএই ধাৰণা প্ৰকৃতি অনুকুল। যি সময়ত প্লাষ্টিক আৰু অন্যান্য স্বাস্থ্যৰ প্ৰতি ভাবুকি থকা সামগ্ৰীৰে খাদ্য মেৰিওৱাৰ ফলত বিষক্ৰিয়া হৈ মানুহ মৃত্যু মুখত পৰিছে সেইসময়ত তৰাপাতৰ ব্যৱহাৰে এই ভয়াবহতা ৰোধ কৰিব পাৰে।

- *মা.প্ৰ.দ*

# বিশ্ব পৰিৱেশ দিৱস আৰু আমাৰ কিছু কৰণীয় কাম

লীলাকান্ত পায়েং




বিশ্ব পৰিৱেশ দিৱস ৫ জুন তাৰিখে প্ৰতি বছৰে গোটেই বিশ্বত পালন কৰা হয়। ইয়াৰ মূল লক্ষ্য হৈছে বিশ্ববাসীক পৰিৱেশৰ প্ৰতি সজাগ কৰি তোলা, যাতে সকলো মানুহে পৰিৱেশ সংৰক্ষণ কৰি পৃথিৱীক সুস্থিৰ কৰি ৰাখে। এই দিৱস পোন প্ৰথমে পালন কৰা হৈছিল ১৯৭৩ চনৰ ৫ জুন তাৰিখে আৰু ইয়াৰ পিছত গোটেই বিশ্বত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। আপুনি জাননে বাৰু পৰিৱেশ ভাৰসাম্য নোহোৱাৰ বাবে বিশ্বত প্ৰতি বছৰে ১৫ নিযুত লোকৰ খাদ্যৰ অভাৱত মৰে। বিশ্বৰ ১০৮ কোটি মানুহৰ বায়ু প্ৰদূষণৰ ফলত মৃত্যু ঘটে। বিশ্বৰ ১.২ বিলিয়ন মানুহে পৰিষ্কাৰ পানী খাবলৈ নেপাই আৰু মৃত্যুবৰণ কৰে। কিন্তু আমি বাৰু আজিৰ সমাজ-পৰিৱেশক লৈ কিমান সচেতন। গোটেই বিশ্বৰে অকল ৫ জুন তাৰিখেহে মনত পৰে নেকি পৰিৱেশৰ প্ৰতি প্ৰেম। বিশ্ব পৰিৱেশ দিৱস হিচাপে প্ৰতি বছৰে বিশ্ব আন্ত-জাতিক ৰাষ্ট্ৰীয় সংগঠনে এটা বিষয় প্ৰসঙ্গ ৰাখে আৰু এই বিষয় প্ৰসঙ্গ ওপৰত

ভিত্তি কৰি আমি বিভিন্ন ধৰনৰ অনুষ্ঠান পতা হয়। বিশ্ব পৰিবেশ দিৱস সংহতি ৰাখি ২০১৫ বৰ্ষৰ বিষয় প্ৰসঙ্গ হৈছে ভাবক, খাওক আৰু বচাওক। পোন প্ৰথমে ভাবক বৰ্তমান আমি কি কৰি আছো আৰু কিদৰে প্ৰকৃতিক অনিষ্ট কৰি আছো। তাৰ বাবে সকলো মানুহ সমানেই দায়ী। সময় আহিল ভাবিবৰ কিদৰে পৰিবেশ সংৰক্ষন কৰি ৰাখো।

দ্বিতীয়তে, নিয়মিত আৰু সীমিত ভাবে খাওক। বাঢ়ি অহা কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমান কমাই আনা আৰু পৰিবেশ দুষিত নকৰা সামগ্ৰী ব্যৱহাৰ কৰা। ইয়াৰ লগতে নিজৰ ঠাইত উৎপাদন কৰা বস্তু ব্যৱহাৰ কৰা যাতে নিজৰ কৃষকসকল আৰ্থিক ভাবে লাভবান হয়। তৃতীয়তে পৰিবেশ বচাই ৰখাটো আমাৰ সকলোৰ দায়িত্ব। অলপ হলেও সঞ্চিত ৰখাটো আমাৰ বহু প্ৰয়োজনীয়। আমি দিনে বহু খাদ্য অযথা নষ্ট কৰি পেলাই দিও যত নেকি আমাৰ দেশত খাবলৈ নেপাই হাজাৰ হাজাৰ মানুহ মৃত্যু বৰন কৰে। গতিকে বচাই ৰাখি খোৱাটো আমাৰ বহু প্ৰয়োজনীয়। আপুনি অলপ কৰিও পৰিবেশ বচাই ৰাখিব পাৰে। মাথো লাগে অলপ চেষ্টা আৰু সচেতনতা। পোন প্ৰথমে প্ৰশ্ন আহে আচলতে আপুনিনো পৰিবেশক লৈ কিমান খিনি সচেতনতা আছে। আজিৰ যান্ত্ৰিক যুগত পইচাৰ পিছত দৌৰি থাকোতে জানো পৰিবেশ বিষয়ক চিন্তা-চৰ্চা কৰিবলৈ সময় আছে। কিন্ত বছৰটো ঘৰৰ ভিতৰত থাকিও আপুনি পৰিবেশ তন্ত্ৰৰ ভাৰসাম্যতা বজাই ৰাখিব পাৰে। ইমান দিনে ঘৰতে থাকি অযথা বহত খাদ্য নষ্ট কৰে কিন্ত এই খন দেশতে হেজাৰ হেজাৰ মানুহ খাবলৈ নেপাই মৃত্যুমুখত পৰে। গতিকে এক সীমিত পৰিমাণ খাই খাদ্য শংখল ধৰি ৰাখিব পাৰে। ঘৰৰ পিছফালে, ঘৰৰ চাঁদৰ ওপৰত আৰু আগফালে খালী হৈ থকা মাটীখিনিত আপুনি সৰু-সৰা বাগিচা বনাব পাৰে। এই বাগিচাত আপুনি ফুলৰপৰা আদি কৰি ফল-মূল, মছলা জাতীয় গছ লগাব পাৰে। এই বাগিচাই পৰিবেশ সুস্তিৰ কৰাৰ লগতে খাদ্য প্ৰদান কৰিব। দৈনিক-দিনে বজাৰৰপৰা চবজি কিনি আনো আৰু তাৰ পৰা খাদ্য বনাও।

খাদ্য বনাওতে অযথা আমি বহু নষ্ট কৰো বা অলাগতিয়াল অংশখিনি ঘৰৰ নল-নৰ্দমাত পেলাই দিও। কিন্ত আমি তাকে নকৰি পেলনীয় বস্তুখিনি গোটাই এটা পাত্ৰত জমা কৰি ৰাখিব পাৰে। এটা সময়ত পচিব আৰু এইখিনি উওম সাৰ হিচাবে বাগিচাত ব্যৱহাৰ কৰিব পাৰে। এইখিনি কৰিলে পৰিবেশ দুষিত কৰাৰপৰা বিৰত ৰাখিও পৰিবেশ জৈৱিক কৰি তোলিব পাৰে। নিতৌ বজাৰ কৰিব যাত্ততে পৰাপক্ষত মোনা লৈ যাওক যাতে প্লাষ্টিক জাতীয় বস্তুৰ ব্যৱহাৰ কমাই দিব পাৰো যিহেতু এই প্লাষ্টিক জাতীয় সামগ্ৰী বোৰ মাটীৰ লগত পচি নেযায়। গতিকে যিমান পাৰি এই প্লাষ্টিক জাতীয় সামগ্ৰী ব্যৱহাৰ কৰাৰপৰা বিৰত থাকক। আপুনি বাৰু আহিবলগীয়া প্ৰজন্মৰ বাবে অলপ কিছু কিবা এটা হলেও কৰিবলৈ মন যাই নে? এক সমীক্ষা মতে ২০৫০ চনত গোটেই বিশ্বত খোৱা পানীৰ অভাৱ ঘটিব আৰু পানীৰ বাবে হাহাকাৰ অবস্থাৰ সৃষ্টি হব। প্ৰায়ভাগ সকলোৰ ঘৰতে পানী জদে-মদে ব্যৱহাৰ কৰি অযথা নষ্ট কৰে। কিন্ত তাকে নকৰি এতিয়াৰপৰা আমি নিয়মিত আৰু সীমিতভাবে ব্যৱহাৰ কৰি দূৰ ভৱিষ্যতে আহিবলগীয়া বিপদৰপৰা বচাই ৰাখিব পাৰো। অকল মিটিং এখন পাতিয়েই যে পৰিবেশ সজাগতা আনিব পাৰে ঠিক তেনেকুৱা নহয়। দেওবাৰৰ দিনটো নহলে আবেলিৰ চাহ একাপৰ সৈতে গপচপ মৰাৰ অভ্যাস আছে তেন্তে আপুনি এই পৰিবেশত পৰিবেশ জাতীয় বিষয় লৈ আলাপ-আলোচনা কৰিব পাৰে। আজিৰ যুগত আটাইতকৈ উত্তম উপাই হৈছে ছচিয়েল নেটৱৰ্কবোৰ যি এতিয়া প্ৰতিজন মানুহৰ প্ৰিয়। আপুনি যি কোনো পৰিবেশৰ লগত সংগতি থকা বিষয় শ্বেয়াৰ কৰিব পাৰে আপোনাৰ বন্ধু বান্ধবীক আৰু এক নতুন সজাগতা সৃষ্টি কৰিব পাৰে। বহুতে ভাবিব ইমান সৰু-সৰা কাম। কি ডাঙৰ কথাটো হল ইমান বহলাই লেখিবলৈ। কিন্ত কিমান জন মানুহে নিজৰ বুলি এই সৰু কামখিনি কৰিছে?

# বহাগৰ এশ এবিধ শাক

ভাস্কৰ ভূঞা
বাস্তৱ বড়া
ৰূপম গগৈ
বিশ্বজিৎ দত্ত







অসমীয়া নাম-
পালেং
English name- Spinach
Botanical Name- Spinacia abracea


অসমীয়া নাম-
মিঠামৰা
English name- Jute
Botanical Name- Corchorus olitorius


অসমীয়া নাম-
পদিনা
English Name- pepermint
Botanial name- Mintha Piperita


অসমীয়া নাম-
উৰিয়াম
English Name- West Indian Cedar
Botanical Name- *Bischofia javanica*


অসমীয়া নাম-
ভিমৰাজ /
ভৃঙ্গৰাজ
English Name- West Zollingernia
Botanical Name- wedelia chinensis


অসমীয়া নাম-
কণ বিলাহী



অসমীয়া নাম-
লাইজাবৰি
English Name- Tropical chick weed
Botanical Name- *Drymaria Cordata*


অসমীয়া নাম-
পানীকচু
English name- Taro Yam
Botanical Name- Colocasia Esculinta


অসমীয়া নাম-
নল টেঙা
English Name- Redsunk
Botanical Name- *polygsbum loractiata*


অসমীয়া নাম-
ল-বৰুৱা
English Name- Rumex obtusifolius
Botanical Name- Codariocalyx Motorius


অসমীয়া নাম-
জিল্‌মিল
English Name- Goasefoot
Botanical name- Chenopodium album


অসমীয়া নাম-
বালি বাবৰি
English name- garland chrysanthemum
Botanical Name- Chrysanthemum Coronarium


অসমীয়া নাম-
পঠৰুৱা বিহলঙনি
Botanical Name- Christella Parasitica
English Name- Amphineuron opulantum


অসমীয়া নাম-
বৰ বিলাহী
English name- Tomato
Botanical Name- Lycopersicon Esculentum

ক্ৰমশ....

# লেখা আহ্বান

উদ্ভিদ বিষয়ক একমাত্ৰ অসমীয়া ই-আলোচনী
উদ্ভিদ বাৰ্তাৰ বাবে প্ৰকৃতি তথা উদ্ভিদ বিষয়ক
লেখা আহ্বান কৰা হৈছে।

লেখা প্ৰেৰণৰ ঠিকনা:

nibiranuragm@gmail.com

হোৱাটচ্ এপ: ৮৬৩৮৭০৮০৭৮, ৮৭৫১৯৪৩৩৮৭